# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 17-08-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

বিশ্বনাথ জিলা প্ৰশাসনে আজি ননকে জাপৰিগুৰিৰ ১৭০ বিঘা ভূমিত উচ্ছেদ চলাইছে। যোৱা ২ আগষ্টত অঞ্চলটোৰ ৩০৯ টা পৰিয়াললৈ উচ্ছেদ অভিযানৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ নিৰ্দেশ দিছিল। অবৈধ দখলকাৰীক সেই স্থান এৰি যাবলৈ প্ৰশাসনে কালি মাইক যোগে অন্তিমবাৰৰ বাবে ঘোষণা কৰিছিল। উচ্ছেদ অভিযানত ২০ খন বুলড'জাৰ, ১০ খন ট্ৰেক্টৰ আৰু ২০ খন সৰু-বৰ বাহন ব্যৱহাৰ কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে যিকোনো  অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ বাবে অঞ্চলটোত আৰক্ষী প্ৰশাসন সষ্টম হৈ আছে। উচ্ছেদ অভিযানৰ বাবে অঞ্চলটো চাৰিটা জ'নত ভাগ কৰা হৈছে। দুটা জ'নত একোজনকৈ অতিৰিক্ত আয়ুক্তক নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি ছজনকৈ কাৰ্যবাহী দণ্ডাধীশো নিয়োগ কৰা হৈছে।  উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে অঞ্চলটোত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰা বলৱৎ কৰা হৈছে।

০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰালয়ে বিভিন্ন ধৱজাবাহী আঁচনিৰ অধীনত অসমত গ্ৰাম্যাঞ্চলৰ যোগাযোগ, বিদ্যুৎ যোগান, খোৱাপানী আৰু গৃহ নিৰ্মাণ খণ্ডৰ সুদৃঢ়কৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে। সাংসদ ৰকিবুল হুছেইনে অলপতে লোকসভাত অসমৰ উন্নয়নমূলক কামকাজ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত গ্ৰামোন্নয়ন উন্নয়ন দপ্তৰৰ ৰাজ্য মন্ত্ৰী কমলেশ পাছোৱানে কয়, যে ২০০০ চনত প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনা আৰম্ভ কৰাৰে পৰা অসমৰ বাবে ন হেজাৰ ২৬৯ টা পথৰ কাম আৰু এহেজাৰ ৪৬৬ খন দলং নিৰ্মাণৰ কামত অনুমোদন জনোৱা হৈছে। ইয়াৰে ভিতৰত ২২ হাজাৰ ৯৩৩ কোটি ৬৭ টকা ব্যয়ৰে প্ৰায় ৯৭ শতাংশ কাম সম্পূৰ্ণ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে নতুনকৈ আৰম্ভ কৰা প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ চতুৰ্থ পৰ্যায়ৰ অধীনত যোগাযোগৰ সু-ব্যৱস্থা   নথকা অসম সহ দেশৰ ২৫ হাজাৰ বসতি অঞ্চলত বতৰ উপযোগী পথেৰে সংযুক্ত কৰা হ'ব। অসমত ইয়াৰ বাবে যোগ্য বসতিঅঞ্চল চিনাক্তকৰণৰ প্ৰাৰম্ভিক কাম-কাজ সম্পূৰ্ণ হৈছে আৰু ৰাজ্য চৰকাৰৰ সৈতে তালিকা চূড়ান্ত কৰাৰ কাম চলি আছে। অসমত শক্তি খণ্ডত পুনৰুজ্জীৱিত বিতৰণ খণ্ড আঁচনিৰ অধীনত   বিতৰণ আন্তঃগাঁথনিৰ বিকাশৰ বাবে তিনি হাজাৰ ৩৯৪ কোটি ৬৫ লাখ টকা মূল্যৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু স্মাৰ্ট মিটাৰ স্থাপনৰ বাবে চাৰি হাজাৰ ৪৯ কোটি ৫৪ লাখ টকাত অনুমোদন দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী অশোক সিংহলে কালি বাক্সা জিলাৰ নিমুৱা আদৰ্শ চিকিৎসালয় উদ্বোধন কৰে। স্বাস্থ্য বিভাগে ৪ কোটি টকা টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা এই আদৰ্শ চিকিৎসালয়খনৰ উদ্বোধন কৰি মন্ত্ৰী সিংহলে কয়, যে ৰাজ্যৰ জনগণক গুণগত স্বাস্থ্য সেৱা প্ৰদানৰ লগতে প্ৰতিখন চৰকাৰী চিকিৎসালয়তে বিনামুলীয়া ঔষধ যোগান ধৰাৰ বাবে অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই উদ্বোধনী সভাত বিধায়ক ফণীধৰ তালুকদাৰ,

বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাস, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কাৰ্যবাহী সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰীকে ধৰি বহুসংখ্যক লোক উপস্থিত থাকে।

০০০০

কেন্দ্ৰীয় চৰকাৰৰ জাহাজ, বন্দৰ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ক্ৰিকেট হলৰ উদ্বোধন কৰে। ক্ৰিকেট খেলত জিলাখনৰ প্ৰতিভাৱান খেলুৱৈসকলক উৎসাহ যোগোৱাৰ উদ্দেশ্যে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই এই ক্ৰিকেট হল নিৰ্মাণ কৰে। এই উদ্বোধনী অনুষ্ঠানতে মন্ত্ৰী শ্ৰীসোণোৱালে ক্ৰিকেট খেলুৱৈসকলৰ লগত মত বিনিময় কৰে। অনুষ্ঠানত বিধায়ক সঞ্জয় কিষাণ, তেৰছ গোৱালা, তৰংগ গগৈ, ডিব্ৰুগড় জিলাৰ ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়া, সাধাৰণ সম্পাদক কামাখ্যা শইকীয়াকে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত আজি **মাংৰী মেম - সেউজী অগ্নিকন্যা** শীৰ্ষক নাটখন মঞ্চস্থ কৰা হ'ব। ডুলিয়াজানৰ পথাৰ নাট্যগোষ্ঠীয়ে পৰিবেশন কৰিবলগীয়া এই নাটখনৰ নাট্যকাৰ পংকজজ্যোতি ভূঞা আৰু পৰিচালক হৈছে  পবিত্ৰ চেতিয়া। সন্ধিয়া ৫ আৰু চাৰে সাত বজাত নাটখনৰ দুটাকৈ দৰ্শনী আগবঢ়োৱা হ'ব।

কালি সন্ধিয়া **গোভাৰজা চত্ৰসিং - অপ্ৰতিৰোধ্য দেওৰজা** নামৰ নাটখন মঞ্চস্থ হয়। কাইলৈ **ব্ৰজনাথ-বিপ্লৱী অগ্নিবীৰ** শীৰ্ষক আন এখন নাট মঞ্চস্থ কৰা হ'ব।

০০০০

পুৱতি নিশা বিজুলী-ঢেৰেকণিৰ সৈতে অহা এজাক ধাৰাষাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানত বুৰ গৈছে। মহানগৰীখনৰ নবীন নগৰ, অনিল নগৰ, হাতীগাঁও, ৰুক্মিনীনগৰ, চানমাৰি আদি অঞ্চলত হোৱা বানৰ ফলত পুৱাৰে পৰা যাতায়াত ব্যাহত হৈ পৰে। বিভিন্ন স্থানত গছ আৰু বিদ্যুতৰ খুঁটা উভালি পৰাৰ ফলত বিদ্যুতৰ যোগান বিচ্ছিন্ন হয়। অৱশ্যে বিদ্যুৎ বিভাগৰ কৰ্মচাৰীসকলে গ্ৰাহকক বিদ্যুতৰ নিয়মীয়া যোগান ধৰিবলৈ তৎপৰতাৰে কাম কৰা পৰিলক্ষিত হৈছে। অনিলনগৰত কৃত্ৰিম বানৰ ফলত ঘৰৰ ভিতৰতে বহু লোক আৱদ্ধ হৈ থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে বুলি আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনাইছে।

০০০০

যোৰহাট আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰৰ উদ্যোগত আজি যোৰহাট আৰক্ষী চাউনীত জিলাখনৰ আৰক্ষীসকলৰ বাৰ্ষিক বি এম আই টেষ্ট কৰা হৈছে। আৰক্ষীসকল স্বাস্থ্যবান আৰু নিজ স্বাস্থ্যৰ প্ৰতি সজাগ হ'বলৈ এনে ধৰণৰ পৰীক্ষাৰ প্ৰয়োজন আছে বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে মন্তব্য কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................